**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 12-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN
**HEADLINES**
**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া কেৰালা ভ্ৰমণ সূচীৰে কালি নিশা তিৰুৱনন্তপুৰমত উপস্থিত হৈছে।

৩। বিহাৰত ভোটাৰ তালিকাৰ সংশোধন প্ৰক্ৰিয়া চলি থকাৰ সময়তে বিগত ১৭ দিনত ৰাজ্যখনৰ প্ৰায় সাত কোটি ৯০ লাখ লোকে প্ৰ-পত্ৰ জমা দিছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে।

৪। ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ভাৰতৰ মাৰাঠা সৈনিক পৰিদৃশ্যই স্বীকৃতি লাভ কৰিছে। *আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট টেষ্ট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন টেষ্টত ভাৰতে কালি নিজৰ প্ৰথম ইনিংছত তিনিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪৫ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি চৰকাৰৰ বিভিন্ন বিভাগ আৰু সংস্থাত নতুনকৈ নিযুক্তি লাভ কৰা ৫১ হাজাৰতকৈও অধিক যুৱক-যুৱতীক ভিডিঅ' কনফাৰেঞ্চিং ব্যৱস্থাৰে আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ প্ৰদান কৰিব। প্ৰধানমন্ত্ৰীয়ে এই কাৰ্যসূচীত নৱনিযুক্ত প্ৰাৰ্থীসকলক উদ্দেশ্যি ভাষণ দিব। উল্লেখযোগ্য যে নতুনকৈ নিযুক্তি লাভ কৰা যুৱক-যুৱতীসকলক নিযুক্তিপত্ৰ বিতৰণৰ লক্ষ্যৰে আজি দেশৰ ৪৭ টা স্থানত যোড়শ ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন মন্ত্ৰালয় আৰু বিভাগসমূহত নতুনকৈ প্ৰাৰ্থীক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে। দেশৰ ভিন ভিন স্থানৰ পৰা নিযুক্তি লাভ কৰা এই প্ৰাৰ্থীসকলে ৰে'ল, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ শ্ৰম আৰু নিয়োগ, ডাক বিভাগ আদিকে ধৰি কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন বিভাগ আৰু মন্ত্ৰালয়ত যোগদান কৰিব। চৰকাৰী তথ্য অনুসৰি বৰ্তমানলৈ  সমগ্ৰ দেশতে ১০ লাখতকৈও অধিক যুৱক-যুৱতীক ৰোজগাৰ মেলাৰ জৰিয়তে নিযুক্তি পত্ৰ দিয়া হৈছে। ৰোজগাৰ মেলাৰ এই ব্যৱস্থা কৰ্ম সংস্থাপন সৃষ্টিক অগ্ৰাধিকাৰ প্ৰদানৰ বাবে প্ৰধানমন্ত্ৰীয়ে দিয়া প্ৰতিশ্ৰুতি ৰক্ষাৰ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। এই ৰোজগাৰ মেলাই ৰাষ্ট্ৰ গঠনত যুৱক-যুৱতীসকলৰ সৱলীকৰণ আৰু অংশগ্ৰহণত সুযোগ প্ৰদানৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ দুদিনীয়া কেৰালা ভ্ৰমণ সূচীৰে কালি নিশা তিৰুৱনন্তপুৰমত উপস্থিত হৈছে। বিমান বন্দৰত দলৰ জ্যেষ্ঠ নেতা আৰু কৰ্মকৰ্তাসকলে শ্ৰী শ্বাহক আদৰণি জনায়। আজি মন্ত্ৰীগৰাকীয়ে ৰাজধানী

চহৰখনত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। পুৱাৰ ভাগত তেওঁ দলৰ নৱনিৰ্মিত ৰাজ্যিক মুখ্য কাৰ্যালয়টো মুকলি কৰাৰ কথা আছে। ইয়াৰ পাছত বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে পুথৰিকাণ্ডম গ্ৰাউণ্ডত বুথ পৰ্যায়ৰ দলীয় কৰ্মকৰ্তাসকলৰ এখন বিশাল সভাত ভাষণ দিব। বিয়লিৰ ভাগলৈ শ্ৰী শ্বাহ কন্নৌৰলৈ ৰাওনা হ'ব আৰু তালিপৰম্বাত থকা ৰাজা ৰাজেশ্বৰ মন্দিৰত পূজা-অৰ্চনা আগবঢ়াব। সন্ধিয়া মন্ত্ৰীগৰাকী দিল্লীলৈ উভতি যোৱাৰ কথা আছে।

০০০০০

বিহাৰত ভোটাৰ তালিকাৰ সংশোধন প্ৰক্ৰিয়া চলি থকাৰ সময়তে বিগত ১৭ দিনত ৰাজ্যখনৰ প্ৰায় সাত কোটি ৯০ লাখ লোকে প্ৰ-পত্ৰ জমা দিছে বুলি নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে। আয়োগে লগতে প্ৰকাশ কৰা অনুসৰি জনসাধাৰণে অহা ২৫ জুলাই পৰ্যন্ত প্ৰ-পত্ৰ জমা দিব পাৰিব। ভোটাৰ তালিকা সংশোধনী প্ৰক্ৰিয়াৰ দ্বিতীয় পৰ্যায়ত গ্ৰুপ পৰ্যায়ৰ বিষয়াসকলে ঘৰে ঘৰে গৈ ভোটদাতাসকলক প্ৰপত্ৰ পূৰণত সহায় কৰি আছে বুলি আয়োগে লগতে প্ৰকাশ কৰিছে। এই প্ৰক্ৰিয়াত ৩৮ গৰাকী জিলা নিৰ্বাচনী বিষয়া আৰু নিৰ্বাচনী পঞ্জীয়ন বিষয়াই ২৪৩ টা বিধানসভা সমষ্টিক সামৰি এই অভিযান অব্যাহত ৰাখিছে। এই অভিযান সময়মতে সম্পূৰ্ণ কৰিবলৈ প্ৰায় ৭৮ হাজাৰ খণ্ড পৰ্যায়ৰ বিষয়া আৰু প্ৰায় ২০ হাজাৰ নতুনকৈ নিযুক্তি লাভ কৰা খণ্ড পৰ্যায়ৰ বিষয়াই অবিৰতভাৱে কাম কৰি আছে বুলি আয়োগে প্ৰকাশ কৰিছে।

০০০০০

ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে ভাৰতৰ মাৰাঠা সৈনিক পৰিদৃশ্যাই স্বীকৃতি লাভ কৰিছে। বিশ্ব ঐতিহ্য ক্ষেত্ৰৰূপে এই সন্মানীয় স্বীকৃতি লাভ কৰা এয়া হৈছে ভাৰতৰ ৪৪ নম্বৰ ক্ষেত্ৰ। কালি সন্ধিয়া পেৰিছত অৱস্থিত ইউনেস্কোৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত বিশ্ব ঐতিহ্য সমিতিৰ ৪৭ সংখ্যক অধিৰেশনত মাৰাঠা সৈনিক পৰিদৃশ্যাই স্বীকৃতি লাভ কৰা বুলি ঘোষণা কৰা হয়। এই সন্মানে ভাৰতৰ সাংস্কৃতিক ঐতিহ্য, স্থাপত্যৰ চানেকি, আঞ্চলিক পৰিচয় আদিকে স্বীকৃতি দিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱট আৰু মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিজে এই ঐতিহাসিক স্বীকৃতিৰ বাবে দেশৰ জনসাধাৰণক অভিনন্দন জ্ঞাপন কৰিছে।

১৭ শতিকাৰ পৰা ১৯ শতিকাৰ ভিতৰত নিৰ্মাণ কৰা মাৰাঠা সৈনিক পৰিদৃশ্য মাৰাঠা সাম্ৰাজ্যৰ অপূৰ্ব স্থাপত্যশৈলী আৰু কৌশলগত সামৰিক  দৃষ্টিভংগীৰ বাবে পৰিচিত। মহাৰাষ্ট আৰু তামিলনাডুত এই মাৰাঠা সৈনিক পৰিদৃশ্যসমূহ দেশা যায়। ইয়াৰে মহাৰাষ্ট্ৰত থকা নিৰ্বাচিত দূৰ্গসমূহ হৈছে- ছলহাৰ, শিৱনেৰি, লাহগড়, খান্দেৰি, ৰায়গড়, ৰাজগড়, প্ৰতাপগড়, সুবৰ্ণদুৰ্গ, পানহালা, বিজয়দুৰ্গ আৰু সিন্ধু দুৰ্গৰ লগতে তামিলনাডুত থকা জিঞ্জি দুৰ্গও অন্যতম।

বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ স্বীকৃতিৰ বাবে ২০২৪ চনৰ জানুৱাৰীত প্ৰস্তাৱ আগবঢ়োৱা হৈছিল। বিগত ১৮ মাহৰ মূল্যায়ন প্ৰক্ৰিয়াৰ পাছত মাৰাঠা সৈনিক পৰিদৃশ্যালৈ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ সন্মানীয় স্বীকৃতি আগবঢ়োৱা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিদেশ ভ্ৰমণ সম্পৰ্কে পাঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানে কৰা মন্তব্যক তীব্ৰ সমালোচনা কৰিছে আৰু এই মন্তব্যক দায়িত্বহীন আৰু দুৰ্ভাগ্যজনক আখ্যা দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে ভগৱন্ত মানৰ নাম নোলোৱাকৈ কয়, যে গ্লোবেল

ছাউথ অৰ্থাৎ ঔদ্যোগিক আৰু অৰ্থনৈতিক দিশৰ পৰা পিছপৰা মিত্ৰ ৰাষ্ট্ৰসমূহৰ সৈতে ভাৰতৰ সম্বন্ধ সন্দৰ্ভত ৰাজ্যিক কৰ্তৃপক্ষৰ উচ্চ স্তৰৰ ব্যক্তিয়ে মন্তব্য কৰা পৰিলক্ষিত হৈছে। তেওঁ কয়, যে এনে মন্তব্য দায়িত্বহীন, দুৰ্ভাগ্যজনক আৰু উচ্চস্তৰৰ ব্যক্তিৰ বাবে অশোভনীয়। এই মন্তব্য সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত শ্ৰী জয়ছোৱালে কয়, যে কেন্দ্ৰীয় চৰকাৰে মিত্ৰ ৰাষ্ট্ৰসমূহৰ সৈতে সম্বন্ধ দুৰ্বল কৰিব পৰা এনেধৰণৰ অনুচিত মন্তব্যৰ পৰা নিজকে আঁতৰাই আনিছে।

ooooo

ৰে'ল মন্ত্ৰালয়ে নিযুক্তি প্ৰক্ৰিয়া অধিক স্বচ্ছ, দক্ষ আৰু প্ৰযুক্তি ভিত্তিক কৰাৰ উদ্দেশ্যে কেতবোৰ সংস্কাৰ সাধন কৰিছে। মন্ত্ৰালয়ে এখন বিজ্ঞপি যোগে কৈছে যে, পোন প্ৰথমবাৰৰ বাবে ২০২৪ চনৰ পৰা গ্ৰুপ চি আৰু প্ৰথম পৰ্যায়ৰ সকলো শাখাৰ বাবে এখন বাৰ্ষিক নিযুক্তি দিনপঞ্জী প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ জৰিয়তে নিযুক্তি প্ৰক্ৰিয়ালৈ স্বচ্ছতা অনাৰ লগতে প্ৰাৰ্থীসকলে নিযুক্তি সংক্ৰান্তীয় জাননী প্ৰকাশ হোৱাৰে পৰা চূড়ান্ত পৰীক্ষা অনুষ্ঠিত হোৱালৈকে সকলো তথ্য লাভ কৰাত সহায়ক হ'ব।

ooooo

বিগত সপ্তাহত চুবুৰীয়া দেশ পাকিস্তানত হোৱা ধাৰাষাৰ বৰষুণৰ ফলত দেশখনৰ বহু অঞ্চল বানৰ কবলত পৰে। বানৰ ফলত দেশখনৰ কমেও ১০০ গৰাকী লোক নিহত হোৱাৰ লগতে আন ১৮৫ গৰাকী লোক বানজনিত দুৰ্ঘটনাত আহত হৈছে। পাকিস্তানৰ ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই কালি কয়, যে বিগত ২৪ ঘণ্টাত দেশখনত আৰু ৮ গৰাকী লোকৰ বানত মৃত্যু হোৱাৰ লগতে বৰ্ষাজনিত দুৰ্ঘটনাত ২৭ গৰাকীলোক আহত হৈছে। দেশখনত হোৱা বানত পাঞ্জাব প্ৰদেশ অধিক ক্ষতিগ্ৰস্ত হৈছে আৰু অঞ্চলটোত ৩৭ গৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে খাইবাৰ পাখতুনখোৱাত ৩০ গৰাকী লোকৰ মৃত্যু ঘটিছে। অনাগত দিনত পুনৰ ধাৰাষাৰ বৰষুণ হোৱাৰ সম্ভাৱনা ব্যক্ত কৰি কৰ্তৃপক্ষই দেশখনৰ নামনি আৰু স্পৰ্শকাতৰ অঞ্চলত বাস কৰা লোকসকলক আগতীয়া প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণৰ বাবে আহ্বান জনাইছে। বেয়াকৈ ক্ষতিগ্ৰস্ত অঞ্চলত উদ্ধাৰ আৰু সাহায্য অভিযান চলি আছে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত ক্ৰিকেট টেষ্ট শৃংখলাৰ লৰ্ডছত অনুষ্ঠিত তৃতীয়খন টেষ্টত ভাৰতে কালি নিজ প্ৰথম ইনিংছত তিনিটা উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১৪৫ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে ঘৰুৱা দল ইংলেণ্ডে কালি প্ৰথম ইনিংছত আটাইকেইটা উইকেট হেৰুৱাই ৩৮৭ ৰান সংগ্ৰহ কৰে। ভাৰত বৰ্তমান ২৪২ ৰানত পিছ পৰি আছে। কালি দ্বিতীয় দিনা ভাৰতৰ যশপ্ৰীত বুমৰাই পাঁচটা উইকেট দখল কৰে। নিজৰ প্ৰথম ইনিংছত ভাৰতৰ যশস্বী জয়ছোৱালে মাত্ৰ ১৩ ৰান কৰি আউট হয় যদিও কে এল ৰাহুল আৰু কৰুণ নায়াৰৰ যুটীটোৱে ৫০ ৰানৰ বৰঙণি আগবঢ়ায়। নায়াৰে ৪০ ৰান কৰি আউট হয়। অধিয়ানক সুভমন গীলেও ১৬ ৰান কৰি বিদায় ল'বলগীয়া হয়। কালি খেলৰ সামৰণি পৰলৈকে কে এল ৰাহুল আৰু উপ-অধিনায়ক ঋষভ পণ্টে খেলি আছিল। পাঁচখনীয়া এই টেষ্ট শৃংখলাত দুয়োটা দলে এতিয়ালৈকে ১-১ ফলাফলত সমতা স্থাপন কৰি আছে।

ooooo

সমাপ্ত